FYUGP

# B.A. 1st Sem. Final Exam. / 2023

Sub-Assamese

ASM-SEC-1014

Full Marks-45 Time- 2 hours.

১। চমুকৈ উত্তৰ লিখা। ১×৫

ক) 'অষ্টাধ্যায়ী'ৰ ৰচক কোন?

খ) 'যতি' শব্দৰ অৰ্থ কি?

গ) আখৰ জোঁটনি বুলিলে কি বুজা?

ঘ) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা?

ঙ) অসমীয়া ভাষাত শব্দৰ আদিত 'ঙ' বৰ্ণৰ উচ্চাৰণ আছেনে?

২। তলত দিয়া প্ৰশ্নৰ উত্তৰ লিখা- (যিকোনো পাঁচটা) ২×৫

ক) দুটা তৎসম শব্দৰ উল্লেখ কৰা।

খ) দুটা 'ৱ' যুক্ত অসমীয়া শব্দ লিখা।

গ) অ আৰু অ' ধ্বনি দুটাৰ প্ৰয়োগ কৰি একোটাকৈ শব্দ লিখা।

ঘ) অসমীয়া ভাষাৰ দুটা স্ত্ৰী প্ৰত্যয়ৰ ব্যৱহাৰ দেখুওৱা।

ঙ) 'কাহ' আৰু 'কাঁহ' শব্দ দুটাৰ অৰ্থ লিখা।

চ) বিভাজ্য আৰু অবিভাজ্য ধ্বনি বুলিলে কি বুজা?

ছ) দুটা উপসৰ্গ উল্লেখ কৰি একোটাকৈ উপসৰ্গযুক্ত শব্দ লিখা।

জ) 'ইঁত' প্ৰত্যয়ৰ কেতিয়া প্ৰয়োগ হয়?

ঝ) শূন্য বিভক্তি কাক বোলে?

ঞ) জিভাৰ অংশ অনুসৰি অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা কি কি ভাগত ভগাব পাৰি?

৩। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা- (যিকোনো চাৰিটা) ৪×৫

ক) অসমীয়া ভাষাত বিভক্তি কেইবিধ আৰু কি কি?

খ) অসমীয়া ভাষাত চন্দ্ৰবিন্দু 'ঁ'ৰ প্ৰয়োগ সম্পৰ্কে লিখা।

গ) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি?

পিছপিঠিত-

ঘ) ণত্ববিধি আৰু ষত্ববিধি কাক বোলে লিখা। (দুটা উদাহৰণসহ লিখা।)

ঙ) পুৰুষ বাচক বিভক্তি কেইবিধ আৰু কি কি?

চ) আখৰ জোঁটনিত যতি চিহ্নৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

ছ) নিৰ্দিষ্টবাচক প্ৰত্যয় কাক বোলে? দুটা নিৰ্দিষ্টবাচক প্ৰত্যয়ৰ প্ৰয়োগ সম্পৰ্কে বুজাই লিখা।

জ) সন্ধি কাক বোলে? উদাহৰণসহ বুজাই লিখা।

৪। ৰচনাধৰ্মী প্ৰশ্নৰ উত্তৰ দিয়া- (যিকোনো এছোৱা) ১০

ক) অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি কেইটা? বিশিষ্ট ব্যঞ্জন ধ্বনিৰ এটি তালিকা প্ৰস্তুত কৰা।

খ) আখৰ জোঁটনিত যতি চিহ্নৰ ভূমিকা সম্পৰ্কে বহলাই আলোচনা কৰা।

গ) যুক্তাক্ষৰ বুলিলে কি বুজা? অসমীয়া ভাষাত যুক্তাক্ষৰ প্ৰসংগত এটি আলোচনা আগবঢ়োৱা।

ঘ) অসমীয়া স্বৰচিহ্ন সম্পৰ্কে এটি টোকা যুগুত কৰা।

==========